# টিহু মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন

মহাশয়/মহাশয়া,

সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। আপোনালোক জ্ঞাত যে বৃহত্তৰ টিহু অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান টিহু মহাবিদ্যালয়ৰ গুণগ্ৰাহী আৰু লব্ধপ্ৰতিষ্ঠ প্ৰাক্তন শিক্ষাৰ্থীসমূহৰ দ্বাৰা গঠিত "টিহু মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনে" বিগত বছৰসমূহত মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু আন্তঃগাঁথনিমূলক শ্ৰীবৃদ্ধিত যোগাত্মক বৰঙণি আগবঢ়াই আহিছে। পৰিৱৰ্তিত সময়ৰ লগত খোজ মিলাই মহাবিদ্যালয়খনে আৰম্ভ কৰা অবিৰত যাত্ৰাৰ সমভাগী হিচাপে এই সন্মিলনখনিয়েও ন ন পৰিকল্পনা আৰু আগ্ৰহী সদস্যৰ অন্তৰ্ভূক্তিৰে আগুৱাই যোৱাৰ আকাংক্ষা পুহি ৰাখিছে। এই মহান আশা আৰু উদ্দেশ্য আগত ৰাখিয়েই অহা ১২ ছেপ্তেম্বৰ, ২০২১ ইং তাৰিখ ৰবিবাৰে টিহু মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনে এখন বিশেষ সাধাৰণ সভাৰ আয়োজন কৰিছে। উক্ত সভালৈ আপোনাক আৰু আপোনাৰ পৰিচিত মহাবিদ্যালয়খনৰ হিতাকাংক্ষী, আমাৰ প্ৰাক্তন শিক্ষাৰ্থীগণক আন্তৰিকতাৰে নিমন্ত্ৰণ জনালোঁ। আপোনাৰ/ আপোনালোকৰ যোগদান আৰু মূল্যবান পৰামৰ্শৱলী তথা সহায়-সহযোগিতাই সন্মিলনখনিৰ লগতে আমাৰ আপোন মহাবিদ্যালয়খনৰো উত্তৰোত্তৰ উন্নতিত নিশ্চয় সহায় আগবঢ়াব।

স্থান ঃ ৩৫ নং কোঠা, টিহু মহাবিদ্যালয়। ভৱদীয় —

সময় ঃ পুৱা ১০ বজা।

| শ্ৰীবাণীকান্ত শৰ্মা | ড° ৰাতুল চন্দ্ৰ কলিতা ড° দিগন্ত ডেকা |
|---|---|
| সভাপতি | যুটীয়া সম্পাদক |
| টিঃ মঃ প্ৰাঃ শিঃ সঃ | টিঃ মঃ প্ৰাঃ শিঃ সঃ |